**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ বন্দৰ ছেৰী বেগৱানত দেশখনৰ ছুলতান হাজি হাছানাল বোল্কিয়াৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ছুলতান হাজি হাছানাল বোল্কিয়াক সাক্ষাৎ কৰি তেওঁ আনন্দ অনুভৱ কৰিছে। বৈঠকত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ব্যৱস্থাকে ধৰি ভালেমান বিষয়ে স্থান লাভ কৰে বুলি তেওঁ জানিবলৈ দিয়ে। ভাৰত আৰু ব্ৰুনেইৰ মাজত বাণিজ্যিক সম্পৰ্কৰ লগতে জনসাধাৰণৰ মাজৰ আদান-প্ৰদানৰ ব্যৱস্থা অধিক সম্প্ৰসাৰিত হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। উভয় দেশৰ মাজৰ সম্পৰ্কৰ লগতে এক্ট-ইষ্ট নীতিক অধিক কাৰ্যকৰী কৰাৰ হকে গঠনমূলক আলোচনাত ভাগ লোৱাৰ লগতে প্ৰতিৰক্ষা, বাণিজ্য আৰু বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি আদি বিভিন্ন দিশ সামৰি দ্বি-পাক্ষিক বিষয়ক লৈ দুয়োগৰাকী নেতাই মত বিনিময় কৰে। তদুপৰি পৰস্পৰৰ স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিভিন্ন বিষয়ক লৈও তেওঁলোকে আলোচনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ মন্তব্যত, ব্ৰুনেইক ভাৰতৰ এক্ট-ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ সহযোগী বুলি অভিহিত কৰে আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীক উভয় দেশৰ উজ্বল ভৱিষ্যতৰ নিশ্চিতি হিচাপে আখ্যা দিয়ে। প্ৰধানমন্ত্ৰী হিচাপে নিজৰ তৃতীয়টো কাৰ্যকালৰ আৰম্ভণিত ব্ৰুনেই ভ্ৰমণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে এটা সুযোগ বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাৰ উপস্থিতিত উভয় দেশৰ মাজত ভালেমান বিষয়ক লৈ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বৈদেশিক মন্ত্ৰী ডং এছ জয়শংকৰ আৰু ব্ৰুনেইৰ পৰিবহণ মন্ত্ৰী পেংগিৰান ডাট' শ্বামহাৰি ডাট' মুস্তাফাই এই চুক্তিত স্বাক্ষৰ কৰে। উভয় পক্ষৰ এই আলোচনাৰ পাছত এটা যুটীয়া বিবৃতি প্ৰকাশ কৰা হয়। আনহাতে ব্ৰুনেইৰ ছুলতানে প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে আজি দুপৰীয়া এখন চৰকাৰী ভোজমেলৰ আয়োজন কৰে। এই ভোজমেলত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজৰ সম্পৰ্কৰ ৪০ বছৰ পূৰ হোৱাৰ সময়তে উভয় পক্ষই পাৰস্পৰিক সহযোগিতাক অধিক মাত্ৰা প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰুণেইৰ বৰ্তমানৰ ছুলতানৰ পিতৃয়ে নিৰ্মাণ কৰা ওমৰ আলী চাইফুদ্দিন মছজিদো পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে শক্তিৰ ক্ষেত্ৰত ব্ৰুণেই অতি চহকী। ভাৰতে এতিয়াও ব্ৰুণেইৰ পৰা যথেষ্ট পৰিমাণৰ খাৰুৱা তেল আমদানি কৰে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ১৯২০ চনত ব্ৰুণেইত তেল আৱিষ্কাৰৰ পৰাই দেশখনৰ পৰা ভাৰতত প্ৰথম পৰ্যায়ৰ তেলৰ আমদানি আৰম্ভ হৈছিল। বৰ্তমান ব্ৰুণেইত প্ৰায় ১৪ হাজাৰ ভাৰতীয় লোকে বসবাস কৰি আছে।

আনহাতে দ্বি-দেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ৰ সামৰণি মাৰি দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকী আজি ছিংগাপুৰ অভিমুখে ৰাওনা হয়। দেশখনৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণক্ৰমে তেওঁ ছিংগাপুৰ ভ্ৰমণলৈ গৈছে।

oooooooo

অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে সত্ৰনগৰী **বৰপেটাত** পুৱাৰে পৰা কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱা গীত আৰু ভটিমাৰ অন্তত সত্ৰৰ মুখ্য পাঠকৰ নেতৃত্বত নৃত্য-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পাছতে ভাগৱত পাঠ, ঘোষা কীৰ্তন আৰু ব্যাহ কীৰ্তন সম্পন্ন হয়। বিয়লি বৃন্দাবন হাটীৰ ভকতসকলে কীৰ্তন

মহোৎসৱ উপলক্ষে কৰভাৰ প্ৰদান কৰিছে। এই কৰভাৰত ভকতসকলে হাটীৰ প্ৰথা অনুসৰি চাউল, কাচকল, কোঁমোৰা, মিঠাতেল, পাণ-তামোল আদি প্ৰদান কৰে। আনহাতে, **বটদ্ৰৱা থান**ত শংকৰদেৱৰ তিৰোভাৱ তিথি উৎসৱটি 'গুৰু কীৰ্তন' হিচাপে পালন কৰা হয়। বটদ্ৰৱা থানৰ পৰম্পৰা অনুসৰি শ শ বছৰ ধৰি গুৰু কীৰ্তন উৎসৱ দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। ধৰ্মীয় পৰম্পৰাৰে কালি আৰম্ভ হোৱা গুৰু কীৰ্তনত আজি দ্বিতীয় দিনা মঞ্জিৰা নাম, আইসকলৰ নাম, খোল-তাল প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ইফালে, পুৱাৰেপৰা ঊষা কীৰ্তনেৰে বটদ্ৰৱাৰ চৌপাশ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

ইফালে, **কোচবিহাৰৰ মধুপুৰ সত্ৰ**তো আজি দিনজোৰা কাৰ্যসূচীৰ গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। একেদৰে ঐতিহাসিক **ঢেকীয়াখোৱা** বৰনামঘৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে শৰাই নৈবদ্য লৈ গুৰুজনাৰ ওচৰত সেৱা আগবঢ়ায়।

সত্ৰপীঠ **মাজুলী**তো গুৰুজনাৰ তিৰোভাৱ তিথি উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত নদীদ্বীপটোৰ সত্ৰ আৰু নামঘৰসমূহ পুৱাৰে পৰাই নাম-প্ৰসংগৰে মুখৰ হৈ পৰিছে। মাজুলীৰ ৩৫খন সত্ৰ আৰু তিনি শতাধিক নামঘৰ গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ ধ্বনিৰে মুখৰ হৈ পৰিছে।

0000000

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী দুৰ্গাদাস উইকে দুদিনীয়া কাৰ্যসূচীৰে আজি তিনিচুকীয়া জিলাত উপস্থিত হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভাত সভাপতিত্ব কৰি তেওঁ জিলাখনত চলিত বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পৰ্যালোচনা বৈঠকতে প্ৰতিগৰাকী বিষয়াক সকলো চৰকাৰী আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে জানি নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিজেই ভালকৈ নাজানিলে আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সফল হ'ব নোৱাৰে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ বহিঃৰাজ্যলৈ প্ৰব্ৰজন বা পলায়ন কৰা জনজাতীয় লোকসকলক সেই স্থানতে সকলো চৰকাৰী আঁচনিৰ সুবিধাসহ নাগৰিকৰ সম্পূৰ্ণ সা-সুবিধা লাভ কৰাতো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট প্ৰশাসনক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিজন সচেতন সংবেদনশীল ব্যক্তিয়ে সামাজিক দায়বদ্ধতাৰে দেশ আৰু সমাজৰ কাৰণে অৰিহণা আগবঢ়া উচিত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বিয়লি কেইবাখনো কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ কাইলৈ ডিগবৈ তেল শোধনাগাৰ পৰিদৰ্শন কৰিব।

00000000

**সমাপ্ত**